# Population Education (6th Sem / 6.2 / Group-B)

## Summary of Some Selected Q. Ans.

**Q. No. 1. জনসংখ্যা শিক্ষা কি ?**

Ans:— সাধাৰণতে জনসংখ্যা শিক্ষা বুলি কলে বেছিভাগ সময়তে পৰিয়াল পৰিকল্পনা অথবা যৌনশিক্ষা বুলি ভুলভাৱে ব্যাখ্যা কৰা হয়। ইয়াৰোপৰি জনসংখ্যা শিক্ষাক সৰু পৰিয়াল ব্যৱস্থা আদিৰ দৰে বিশেষ ধাৰণাৰ প্ৰতি আকৃষ্ট কৰিব বিচৰা বিশেষ, তিখনি আঁচনি বুলিও গণ্য কৰিব নোৱাৰি। ইয়াৰ বিপৰীতে, সৰল অৰ্থত কবলৈ গলে আমি কব পাৰি যে, যি শিক্ষাই মানুহৰ সমাজত জনৰ হাৰ বৃদ্ধিৰ ফলত পাৰিপাৰ্শ্বিকতা আৰু জীৱন প্ৰক্ৰিয়াত ইয়াৰ প্ৰভাৱ সম্পৰ্কে প্ৰণালীবদ্ধ জ্ঞান প্ৰদান কৰি জনৰ হাৰ নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা আৰু যুক্তিযুক্ত প্ৰক্ৰিয়াৰ বিষয়ে জ্ঞান প্ৰদান কৰে তাকেই জনসংখ্যা শিক্ষা বুলি কোৱা হয়।

তাতোকৈ সহজ ভাষাত কবলৈ গলে, জনসংখ্যা শিক্ষা হৈছে এনেকুৱা এটা প্ৰক্ৰিয়া যাৰ সহায়ত জীৱজগত আৰু উদ্ভিদজগতক সামৰি সামগ্ৰিক পাৰিপাৰ্শ্বিকতাৰ লগত জনসংখ্যাৰ পাৰস্পৰিক যোগসূত্ৰৰ বিষয়ে প্ৰণালীবদ্ধ জ্ঞান আহৰণ কৰিব পাৰি।

---

**Q. No. 2. জনসংখ্যা শিক্ষা কিয় প্ৰয়োজন ?**

Ans:— মানৱজাতিৰ সন্মুখত জনসংখ্যা বৃদ্ধিৰ সমস্যাই এটা গুৰুতৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশৰ ক্ষেত্ৰত এনে সমস্যাই সৃষ্টি কৰা প্ৰত্যাহ্বান অধিক গুৰুতৰ। এই সমস্যাই দেশৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু পাৰিপাৰ্শ্বিক ক্ষেত্ৰত ভয়াবহ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বৰ্দ্ধিত জনসংখ্যাই গতিশীল উন্নতিৰ বাবে প্ৰস্তুত কৰা পৰিকল্পনাসমূহ পৰিবৰ্তন কৰিব লগা হয় আৰু তেনে ক্ষেত্ৰত উন্নয়নৰ ৰকমী দিশত মনোযোগ দুৰ্বল হৈ পৰে। স্বাধীনতাৰ পিছৰ পৰাই জনসংখ্যা নিয়ন্ত্ৰণৰ ওপৰত যথেষ্ট ব্যৱস্থা লোৱা হয় যদিও মানুহৰ অজ্ঞতাৰ বাবে সেয়া সম্ভৱ হৈ উঠা নাই। উদাহৰণস্বৰূপে ১৯৫১ চনৰ পৰাই ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণসূচী আৰম্ভ কৰা হৈছিল যদিও সেয়া আশাপ্ৰদ হোৱা নাই। সেয়েহে শিক্ষা প্ৰক্ৰিয়াৰ যোগেদি যদি সমাজৰ প্ৰতিজন ব্যক্তিৰ মাজত বৰ্দ্ধিত জনসংখ্যাৰ সমস্যাই সৃষ্টি কৰা ভয়াবহতাৰ প্ৰণালীবদ্ধ জ্ঞান প্ৰসাৰ আৰু বিস্তাৰ কাৰ্য সাল্পসু কৰি তুলিব পৰা যায় হয়তোবা কিছুমান ক্ষেত্ৰত সফাহ পোৱা যাব। এই ক্ষেত্ৰত মানুহৰ সামাজিক মূল্যবোধৰ পৰিবৰ্তনৰ সহায়ত জীৱনৰ মূল্যবোধ সমূহ প্ৰণালীবদ্ধভাৱে পৰিবৰ্তন কৰি মানুহৰ অভ্যাসৰ পৰিবৰ্তন, ৰুচিবোধৰ পৰিবৰ্তন আৰু কৃষিভংগীৰ পৰিবৰ্তন কৰিব নোৱাৰিলে জনসংখ্যাৰ বৰ্দ্ধিত গতি নিয়ন্ত্ৰিত কৰাটো সম্ভৱ নহয়।